# কৃষক ৰাইজৰ জ্ঞাতার্থে

**ৰাজসাহায্যৰ জৰিয়তে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু অন্যান্য কৃষি সজুঁলি আদি লাভ কৰিবলৈ**

**আবেদনপত্ৰৰ আহ্বান**

ইয়াৰ দ্বাৰা কৃষক ৰাইজৰ জ্ঞাতার্থে জনোৱা যায় যে, কৃষি যান্ত্রিকীকৰণৰ জৰিয়তে ৰাজ্যখনৰ কৃষি ক্ষেত্ৰৰ উৎপাদন আৰু উৎপাদিকা শক্তিৰ বৃদ্ধিক অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ কৃষি বিভাগে অসমৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই ঘোষণা কৰা আঁচনি অনুসৰি অসমৰ প্রতিটো বিধানসভা সমষ্টিৰ বিপৰীতে যোগ্য ক্ষুদ্র আৰু উপান্ত খেতিয়কৰ কৃষি সেৱা গোট /পঞ্জীয়নভুক্ত পথাৰ পৰিচালনা সমিতি আদিলৈ ৭৫ শতাংশ অনুদানসহ নিম্নলিখিত কৃষি যন্ত্ৰপাতিসমূহ বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

| ক্রমিক নং | আঁচনিৰ নাম | বিতৰণৰ সামগ্রী | ৰাজসাহায্য | গোটৰ সদস্যৰ সংখ্যা |
|---|---|---|---|---|
| ১ | ১২৫টা বিধানসভা সমষ্টিৰ ট্ৰেক্টৰ বিতৰণ (প্রতিটো সমষ্টিত ১০খনকৈ) ২০১৫-১৬ | ট্ৰেক্টৰ | ৭৫ শতাংশ | ৬জন |
| ২ | ১২৫টা বিধানসভা সমষ্টিত পাৱাৰ-টিলাৰ বিতৰণ (প্রতিটো সমষ্টিত ২০ খনকৈ) ২০১৫-১৬ | পাৱাৰ টিলাৰ | ৭৫ শতাংশ | ৩-৫জন |
| ৩ | কৃষি উৎপাদন বঢ়াবৰ বাবে যান্ত্রিকীকৰণ আৰু প্রযুক্তিৰ ব্যৱহাৰ | কৃষি যন্ত্ৰপাতি | ৭৫শতাংশ | ১জন বা ততোধিক |

ইচ্ছুক গোটসমূহৰ সদস্যই আবেদন প্র-পত্র জিলা কৃষি বিষয়া/ কার্য্য অভিযন্তা, কৃষি/ মহকুমা কৃষি বিষয়া/ সহঃ কার্য্যবাহী অভিযন্তা, কৃষিৰ, কার্যালয়ত অথবা পঞ্চায়ত কার্যালয়ৰ পৰা সংগ্রহ কৰিব পাৰিব। প্র-পত্র ও আঁচনি ৰূপায়নৰ নিয়মাৱলী কৃষি বিভাগৰ **Website www.rkvyassam.in/ www.agriassam.in**ত উপলব্ধ কৰা হৈছে। প্র-পত্রসমূহ সম্পূর্ণ তথ্যসহকাৰে ওপৰত উল্লেখিত কার্যালয়সমূহত অহা ইং ২১/০২/২০১৬ তাৰিখৰ ভিতৰত জমা দিব লাগিব।

স্বাক্ষৰ/-

কৃষি বিভাগ, অসম

Janasanyog/1778/15